Total No. of printed pages = 4

**2 PGDE ASM 3**

**2012**

(Nov.-Dec.)

**ASSAMESE**

Paper : 203

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Write the answers to the separate Sections in separate books.

SECTION – A

**(Western Literature)**

www.prepnext.com

১। (ক) "গতিয়েই কবিতাটোৰ প্ৰাণ। আৰু সেই গতিৰ চলমান ৰূপটো ইয়াৰ অপূৰ্ব গীতিময়তাৰে দান। সেই বাবেই এই কবিতাটো সৰ্বকালৰ ইংৰাজী গীতিকাব্য সাহিত্যৰ এটি অমৰ নিদৰ্শন হৈ ৰৈছে।"

ডঃ মহেন্দ্ৰ বৰাৰ এই উক্তিৰ আধাৰত শ্যেলীৰ 'Ode to the West Wind' কবিতাটোৰ কাব্যিক বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৬

অথবা

(খ) টেনিচনক কিয় ভিক্ট'ৰীয় যুগটোৰ প্ৰতিনিধিত্বমূলক কবি হিচাপে গণ্য কৰা হয়, Ulysses কবিতাটোৰ আলমত আলোচনা কৰা।

২। (ক) টেড হিউজৰ 'Her Husband' কবিতাটোত মানুহৰ স্বাভাৱিক প্ৰবৃত্তি আৰু সমাজ শৃঙ্খলাৰ দ্বন্দ্ব কিদৰে প্ৰতিফলিত হৈছে আলোচনা আগবঢ়োৱাঁ। ১৬

অথবা

(খ) 'The Negro Speaks of Rivers' কবিতাটোৰ এটা সমালোচনাত্মক টোকা লিখাঁ।

৩। (ক) "কেৱল এখন উপন্যাস ৰচনা কৰিয়েই এমিলি ব্ৰন্টি ইংৰাজী সাহিত্যৰ বুৰঞ্জীত অমৰ হৈ ৰ'ল।"

এই উক্তিৰ আধাৰত 'Wuthering Heights' উপন্যাসখনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৬

অথবা

(খ) "Man can be destroyed but not defeated." চান্টিয়াগোৰ এই উক্তিৰ ওপৰত ভিত্তি কৰি চৰিত্ৰটোৰ এটি বিশ্লেষণ আগবঢ়োৱাঁ।

৪। (ক) ইউৰিপিডিচৰ 'Electra' নাটকৰ মাজেদি প্ৰকাশিত হোৱা গ্ৰীক ট্ৰেজেডিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৬

অথবা

(খ) 'হেমলেট' নাটকৰ স্বগতোক্তিসমূহৰ নাটকীয় গুৰুত্ব আলোচনা কৰাঁ।

www.prepnext.com

৫। 'Death of a Salesman' নাটকৰ নাট্যকৌশল সম্পৰ্কে আলোচনা কৰাঁ। ১৬

অথবা

'A Doll's House' নাটকৰ ন'ৰা (Nora) চৰিত্ৰটোৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাঁ।

## SECTION – B

## (Language and Dialects of North East India)

## (উত্তৰ-পূব ভাৰতৰ ভাষা আৰু উপভাষা)

১। (ক) উত্তৰ-পূৰ্বাঞ্চলৰ ভাষিক ক্ষেত্ৰখনৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ১৬

অথবা

(খ) অসমৰ তিব্বত-বৰ্মীয় শাখাৰ ভাষাকেইটাৰ নাম লিখি যি কোনো এটা ভাষাৰ পৰিচয়সূচক টোকা যুগুত কৰাঁ। ৩+১৩=১৬

২। (ক) অসমৰ তিব্বত-বৰ্মীয় শাখাৰ ভাষাসমূহৰ ভাষিক স্থিতি (Status) সম্পৰ্কে আলোচনা কৰাঁ। ১৬

অথবা

(খ) অৰুণাচলত কি কি ভাষা পৰিয়ালৰ ভাষা পোৱা যায়, ভাষাসমূহৰ নাম উল্লেখ কৰি এই ভাষাসমূহৰ বৰ্তমান স্থিতি সম্পৰ্কে আলোচনা কৰাঁ। ৩+৩+১০=১৬

www.prepnext.com

৩। (ক) বড়ো ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৬

অথবা

(খ) খামতি ভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ দেখুৱাই এটি আলত যুগুত কৰাঁ।

৪। যি কোনো **দুটাৰ** বিষয়ে লিখাঁ ঃ ৮+৮=১৬

(ক) মিচিংসকলৰ দ্বিভাষিত্ব।

(খ) বড়োসকলে দ্বিভাষিত্ব গ্ৰহণ কৰাৰ কাৰণসমূহ

(গ) অসমৰ টাই গোষ্ঠীয় লোকসকলৰ দ্বিভাষিক পৰিবেশ।

৫। (ক) অসমীয়া আৰু তিব্বত-বৰ্মীয় ভাষাসমূহৰ মাজত থকা একেধৰণৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰাঁ। ১৬

অথবা

(খ) টাই মূলীয় ভাষা আৰু তিব্বত-বৰ্মীয় মূলৰ ভাষাসমূহৰ মাজত থকা ধ্বনিগত আৰু ৰূপগত দিশৰ মিল আৰু অমিল দেখুৱাই এটি টোকা লিখাঁ।

www.prepnext.com